অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী, ৭৮১০২১, ফোন ঃ ০৩৬১-২৫৫০০৩৫
Assam Publication Board, Bamunimaidam, Guwahati-781021, Ph-0361-255035

সংবাদ বিজ্ঞপ্তি

### ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বক্তৃতানুষ্ঠান সম্পন্ন

# অৰ্ধ শতাধিক যুৱ সাহিত্যিকৰ অংশগ্ৰহণেৰে যুৱ সাহিত্য উৎসৱ আৰম্ভ

**গুৱাহাটী, ২৩ ডিচেম্বৰ ঃ** অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অনুষ্ঠিত ৩১তম গুৱাহাটী গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি উদ্‌যাপিত যুৱ সাহিত্য উৎসৱৰ প্ৰথম দিনাৰ দুই কাৰ্যসূচী ক্ৰমে 'সাম্প্ৰতিক অসমীয়া কাহিনী-সাহিত্যৰ গতি-প্ৰকৃতি ঃ আশা আৰু উদ্বেগ' আৰু 'কবিতা-পাঠ আৰু পৰ্যালোচনা' আজি সফলতাৰে অনুষ্ঠিত হয়। আজি দুপৰীয়া যুৱ সাহিত্য উৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে 'ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিষদ'ৰ সদস্য সচিব লক্ষ্য কোঁৱৰে। যুৱ লেখকসকলক সম্বোধন কৰি কোঁৱৰে কয়— 'লেখৰ সদিচ্ছা আৰু ঐকান্তিকতাই সমাজ এখনক বহু দূৰ আগুৱাই লৈ যাব পাৰে।' অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। আনহাতে পশ্চিমবংগৰ দুগৰাকী প্ৰখ্যাত লেখকক্ৰমে ৰঞ্জন বন্দোপাধ্যায় আৰু বিনোদ ঘোষালে বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানটিত অংশ গ্ৰহণ কৰি অসমৰ সাহিত্য পৰম্পৰাৰ প্ৰশংসা কৰে। অনুষ্ঠানটি পৰিচালনা কৰে কটন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰশান্ত চক্ৰৱৰ্তীয়ে। ২ বজাত অনুষ্ঠিত 'সাম্প্ৰতিক অসমীয়া কাহিনী সাহিত্যৰ গতি-প্ৰকৃতি ঃ আশা আৰু উদ্বেগ' শীৰ্ষক অনুষ্ঠানটিৰ আঁত ধৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা লেখক-কবি-সমালোচন ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠই সাম্প্ৰতিক অসমীয়া কাহিনী সাহিত্যত বিষয়বস্তু আৰু ভাষাৰ সম্পৰ্কীয়, নৈৰ্ব্যক্তিকতা তথা ব্যক্তিকেন্দ্ৰিকতা, সমাজ বাস্তৱিকতা আৰু ৰাজনৈতিকবোধ আদি বিভিন্ন বিষয়ত অনুষ্ঠানটিত অংশগ্ৰহণকাৰী লেখক-গৱেষক-সমালোচকসকলে মত-বিনিময় আৰু আলোচনা কৰে। অংশ গ্ৰহণকাৰীসকল হ'ল মনালিছা শইকীয়া, মণিকা দেৱী, অপু ভৰদ্বাজ, দিব্যজ্যোতি বৰা, ডালিম দাস, সঞ্জীৱ পল ডেকা, দেৱভূষণ বৰা, সুৰঞ্জনা শৰ্মা, অংগনা চৌধুৰী, জুৰি বৰা বৰগোঁহাই, পাৰ্থবিজয় দত্ত, অৰ্চনা বৰঠাকুৰ, পূৰৱী বৰুৱা, অসীম চুতীয়া, বিপাশা বৰা, আৰু সিদ্ধাৰ্থ শংকৰ বেজবৰুৱা। কবিতা পাঠ আৰু পৰ্যালোচনা শীৰ্ষক অনুষ্ঠানটিত পৰ্যালোচক-সঞ্চালক অৰিন্দম বৰকটকীয়ে অংশ গ্ৰহণকাৰী কবিসকলৰ কবিতা পাঠ সন্দৰ্ভত গঠনমূলক মতামত আগবঢ়োৱাৰ লগতে সামগ্ৰিকভাৱে সাম্প্ৰতিক কবিতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত অংশগ্ৰহণ কৰা কবিসকল হ'ল অজিত ভৰালী, জয়ন্ত দত্ত, সিদ্ধাৰ্থ শংকৰ কলিতা, তীৰ্থজ্যোতি বৰা, মণিকা দাস, মনোজ্ঞপ্ৰাণ বৰদলৈ, আবেদুৰ ৰহমান, ইন্দ্ৰনীল গায়ন,কৌশিক কিশলয়, ৰজনীকান্ত বৰদলৈ, অংকুৰ ৰঞ্জন ফুকন, কোকিল শইকীয়া, স্নেহাংকৰ, চন্দন গোস্বামী, বিজয় শংকৰ বৰ্মন, দিব্যজ্যোতি বৰা, বৈদ্যব্ৰত বুঢ়াগোহাঁই আৰু প্ৰাঞ্জল শৰ্মা বশিষ্ঠই।

## ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বক্তৃতানুষ্ঠান সম্পন্ন

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু মহামহোপাধ্যায় ড° বিশ্বনাৰায়ণ শাস্ত্ৰী জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সহযোগত ড° বিশ্বনাৰায়ণ শাস্ত্ৰী জন্ম শতবৰ্ষীয় বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয় গ্ৰন্থমেলাৰ বাকৰিত। বক্তৃতানুষ্ঠানটোৰ বিষয় আছিল ভাৰততত্ত্ববিদ ড° বিশ্বনাৰায়ণ শাস্ত্ৰী প্ৰাচ্যতত্ত্বৰ গৱেষণা আৰু অসম। বক্তৃতা অনুষ্ঠানটোৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰি উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ড° মুকুন্দকাম শৰ্মাই তেওঁৰ সান্নিধ্য লাভ কৰাৰ কথা সোঁৱৰি কয় যে শাস্ত্ৰীৰ অগাধ পাণ্ডিত্য

সিপিঠিত

অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী, ৭৮১০২১, ফোন ঃ ০৩৬১-২৫৫০০৩৫

Assam Publication Board, Bamunimaidam, Guwahati-781021, Ph-0361-255035

আৰু ব্যক্তিত্বৰ বিষয়ে অৱগত নাছিলো। সংস্কৃত পঢ়াশালীতে তেওঁ অধ্যয়ন কৰিছিল। একেটা অনুষ্ঠানতে উপস্থিত থাকি কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মাই কয়— 'ভাৰতবৰ্ষ জ্ঞান চৰ্চাৰ কেন্দ্ৰ, জ্ঞানৰ বিভিন্ন ধাৰাত ভাৰতবৰ্ষৰ অৱদান আছে। ভাৰতবৰ্ষৰ বৌদ্ধিক বিনিময়ৰ মাধ্যম আছিল, সংস্কৃত ভাষাৰ জ্ঞান ভাৰততত্ত্ব বুজাৰ কাৰণে। ইতিহাস বুজি নাপালে সংস্কৃত ভাষা সাহিত্য অনুধাৱন কৰা সহজ নহয়।" আনহাতে ভাৰততত্ত্ব বিদ ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিষয়ে উল্লেখ কৰি ড° দীপক কুমাৰ শৰ্মাই লগতে কয় যে একাগ্ৰতাৰ দ্বাৰা ডি-লিট্ উপাধি লাভ কৰিছিল শাস্ত্ৰী ডাঙৰীয়াই। ভাষা সাহিত্য সন্দৰ্ভত উল্লেখ কৰি তেওঁ কয়— সংস্কৃত সাহিত্য শব্দটো কমকৈ ব্যৱহাৰ হয়, কাব্য বুলিহে কোৱা হয়। অনুষ্ঠানটিত উপস্থিত থকা আন এজন বিশিষ্ট ব্যক্তি ভৃগুগিৰী মহাৰাজে বন্তি প্ৰজ্বলন কৰি কয় যে ড° বিশ্বনাৰায়ণ শাস্ত্ৰী তেওঁৰ বন্ধুৰ দৰে আছিল। বন্ধুভাবেৰে বহু কাম কৰিছে আৰু সংস্কৃত ভাষাৰ ওপৰত যথেষ্ট কাম কৰিছে তেওঁলোকে। যুৱ সাহিত্য মহোৎসৱৰ প্ৰথম দিন হিচাপে গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হয় আন এক আকৰ্ষণীয় অনুষ্ঠান। সাম্প্ৰতিক অসমীয়া কাহিনী-সাহিত্যৰ গতি প্ৰকৃতি-আশা আৰু উদ্বেগ" শীৰ্ষক এক মনোজ্ঞ আলোচনা চক্ৰ। ড° প্ৰশান্ত চক্ৰৱৰ্তীয়ে পৰিচালনা কৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কলকাতাৰ যুৱ ঔপন্যাসিক বিনোদ ঘোষাল আৰু আন এজন কলকাতাৰ জনপ্ৰিয় সাহিত্যিক ৰঞ্জন বন্দোপাধ্যায়। অনুষ্ঠানটি উদ্বোধন কৰে অসম ক্ৰীড়া আৰু যুৱ কল্যাণ পৰিষদৰ সদস্য সচিব লক্ষ্য কোঁৱৰে। সন্ধিয়াৰ ভাগলৈ আন এক আকৰ্ষণীয় অনুষ্ঠান অনুষ্ঠিত হয় নৱীন কবিৰ কবিতা পাঠ আৰু কবিতাৰ পৰ্যালোচনা। "ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতি অসম চৰকাৰৰ সহযোগত অনুষ্ঠিত কবিতাৰ অনুষ্ঠানটিৰ সঞ্চালনা আৰু পৰ্যালোচনা কৰে অৰিন্দম বৰকটকীয়ে। নিশাৰ ভাগলৈ অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান।

## ড° বিশ্বনাৰায়ণ শাস্ত্ৰী জন্ম শতবৰ্ষ উপলক্ষে আয়োজিত আকস্মিক বক্তৃতাৰ ফলাফল

বিদগ্ধ সংস্কৃত পণ্ডিত, ভাৰততত্ত্ববিদ অসম প্ৰকাশন পৰিষদৰ প্ৰথমজন সচিব ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ জন্ম শতবৰ্ষ উপলক্ষে আজি গুৱাহাটী গ্ৰন্থমেলা প্ৰাংগণত এখন আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ড° বিশ্বনাৰায়ণ শাস্ত্ৰীক বিষয় হিচাপে লৈ 'ক' আৰু 'খ' শাখাত অনুষ্ঠিত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল এনেধৰণৰ ঃ 'ক' শাখা (নিম্ন শাখা) ঃ প্ৰথম ঃ ৰক্তিম অভিনন্দন শৰ্মা (অসম জাতীয় বিদ্যালয়), দ্বিতীয় ঃ মানসপ্ৰতিম আত্ৰেয় (মহৰ্ষি বিদ্যা মন্দিৰ), তৃতীয় ঃ স্বাতী মেধি (গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল), নিচুকনি বঁটা ঃ নিশিতা ডেকা (অসম জাতীয় বিদ্যালয়)। 'খ' শাখা (উচ্চ শাখা) ঃ প্ৰথম ঃ জুহিতা কলিতা (কটন বিশ্ববিদ্যালয়), দ্বিতীয় ঃ শ্ৰুতি মেধি (গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুল), তৃতীয় ঃ অৰুনাভ হাজৰিকা (শংকৰদেৱ শিশু নিকেতন, উত্তৰ গুৱাহাটী)। উক্ত আকস্মিক বক্তৃতা অনুষ্ঠানৰ বিচাৰক আছিল দীপাংক হাজৰিকা, হিৰণ্য কুমাৰ বৰ্মন, ওমপ্ৰকাশ দাস। প্ৰতিযোগিতা ড° শাস্ত্ৰীৰ তিনিগৰাকী কন্যা ক্ৰমে জয়শ্ৰী শৰ্মা, বেলা চন্দ্ৰানী (আছাম এছ'চিয়েশ্যন অব্ জাপানৰ সভানেত্ৰী)। জয়শ্ৰী বৰুৱাকে ধৰি ভালেমান বিশিষ্ট লোক উপস্থিত থাকে।

**সচিব**
**অসম প্ৰকাশন পৰিষদ**